3 (Sem–6) PSC M 3 (C/D)

**2020**

# POLITICAL SCIENCE

( Major )

Paper : 6.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Answer either *in English* or *in Assamese*

OPTION—C

**( POLITICS IN NORTH-EAST INDIA—II )**

**1.** Answer the following questions : 1×7=7

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(a)* When was the Shillong Accord signed?

শ্বিলং চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল ?

*(b)* The territory of which State of North-East India was previously known as NEFA?

উত্তৰ-পূব ভাৰতৰ কোনখন ৰাজ্যৰ এলেকাক পূৰ্বে নেফা (NEFA) হিচাপে জনা গৈছিল ?

*(c)* What is the full form of BTR?

BTR ৰ সম্পূৰ্ণ ৰূপটো কি ?

*(d)* Under which Article of the Constitution of India the Governor of a State can recommend the imposition of emergency in the State?

ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদৰ অধীনত এখন ৰাজ্যৰ ৰাজ্যপালে জৰুৰীকালীন অৱস্থা ঘোষণাৰ বাবে প্ৰতিবেদন প্ৰেৰণ কৰিব পাৰে?

*(e)* When was the North-East State Reorganization Act signed?

উত্তৰ-পূব ৰাজ্যিক পুনৰ্গঠন আইন কোন চনত স্বাক্ষৰিত হৈছিল?

*(f)* Who wrote the book, *Nation Building and Development in North-East India*?

*Nation Building and Development in North-East India* নামৰ গ্ৰন্থখনৰ ৰচয়িতা কোন?

*(g)* Who is the present Governor of Assam?

অসমৰ বৰ্তমানৰ ৰাজ্যপালগৰাকীৰ নাম কি?

**2.** Answer the following questions : 2×4=8

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(a)* Mention two challenges that India faced immediately after independence.

স্বাধীনতা লাভৰ পিছত তাৎক্ষণিকভাৱে ভাৰতবৰ্ষই সন্মুখীন হোৱা দুটা প্ৰত্যাহ্বান উল্লেখ কৰা।





*(b)* Write down two objectives of Mizo National Front (MNF).

মিজো নেশ্বনেল ফ্ৰন্ট (MNF)ৰ দুটা উদ্দেশ্য লিখা।

*(c)* Mention any two factions of National Socialist Council of Nagaland (NSCN).

নেশ্বনেল চোচিয়েলিষ্ট কাউন্সিল অৱ নাগালেণ্ড (NSCN)ৰ যি কোনো দুটা গোটৰ নাম উল্লেখ কৰা।

*(d)* Mention the names of the Plains Tribes that were given autonomy in 1995.

১৯৯৫ চনত স্বায়ত্তশাসন প্ৰদান কৰা ভৈয়াম জনজাতিকেইটাৰ নাম উল্লেখ কৰা।

**3.** Answer any *three* of the following questions : 5×3=15

তলত দিয়া যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা :

*(a)* Discuss briefly about the Assam Accord of 1985 with special reference to constitutional safeguard of indigenous people of Assam.

অসমৰ খিলঞ্জীয়া লোকসকলৰ সাংবিধানিক সুৰক্ষাৰ দফাটোক গুৰুত্ব প্ৰদান কৰি ১৯৮৫ চনৰ অসম চুক্তিৰ বিষয়ে চমুকৈ আলোচনা কৰা।

*(b)* Write down the implications of separation of Sylhet from Assam.

অসমৰ পৰা চিলেটখন পৃথক হোৱাৰ ফলাফলসমূহ লিখা।

(c) How can political settlement resolve the problem of separation effectively? Explain briefly by giving example of Mizoram.
পৃথকতাবাদৰ সমস্যাটো ৰাজনৈতিক মীমাংসাৰে কেনেদৰে দক্ষতাৰে সমাধান কৰিব পাৰি? মিজোৰামৰ উদাহৰণৰ জৰিয়তে চমুকৈ ব্যাখ্যা কৰা।

(d) Write a note on the Bodo Accord, 2020.
বড়ো চুক্তি, ২০২০ৰ ওপৰত এটা টোকা লিখা।

(e) Discuss briefly about Naga insurgency.
নগা উগ্ৰপন্থীৰ সশস্ত্ৰ বিদ্ৰোহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

**4.** Answer any *three* of the following questions : 10×3=30
তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) What do you mean by regional party? How do you account for its emergence in the politics of Assam? Explain.
আঞ্চলিক দল বুলিলে কি বুজা? অসমৰ ৰাজনীতিত আঞ্চলিক দলৰ উদ্ভৱক তুমি কি ধৰণে ভাবা? ব্যাখ্যা কৰা।

(b) Examine the causes for the rise of language movement in Assam. Do you think it has been creating tension in a multilingual State like Assam? Justify your answer.
অসমত ভাষা আন্দোলনৰ উদ্ভৱৰ কাৰণসমূহ পৰীক্ষা কৰা। অসমৰ দৰে বহুভাষিক ৰাজ্য এখনত ই উদ্বিগ্নতাৰ সৃষ্টি কৰি অহা বুলি তুমি ভাবানেকি? তোমাৰ উত্তৰৰ যুক্তিযুক্ততা প্ৰদৰ্শন কৰা।





(c) Discuss the rise of insurgency in North-East India. Do you think the ongoing peace process will bring about permanent peace to the region?
উত্তৰ-পূব ভাৰতত সশস্ত্ৰ আন্দোলনৰ উদ্ভৱৰ কাৰণসমূহ আলোচনা কৰা। বৰ্তমান চলি থকা শান্তি আলোচনা প্ৰক্ৰিয়াটোৱে অঞ্চলটোলৈ স্থায়ী শান্তি কঢ়িয়াই আনিব বুলি তুমি ভাবানে?

(d) What is meant by coalition politics? Discuss critically about the future of coalition politics in Assam.
মৰ্চা ৰাজনীতি মানে কি? অসমত মৰ্চা ৰাজনীতিৰ ভৱিষ্যৎ সম্পৰ্কে সমালোচনাত্মক আলোচনা কৰা।

(e) How was Manipur integrated with India? Why accession of Manipur proved to be very difficult? Explain.
মণিপুৰ ভাৰতৰ সৈতে কেনেদৰে সংলগ্ন হ'ল? মণিপুৰক ভাৰতৰ সৈতে একত্ৰিত কৰাটো কিয় যথেষ্ট কঠিন বিবেচিত হৈছিল? ব্যাখ্যা কৰা।

(f) Elaborate the reasons for which new States were created out of some districts of Assam.
অসমৰ কেইখন জিলাৰ পৰা নতুন ৰাজ্য গঠনৰ কাৰণসমূহ বহলাই আলোচনা কৰা।

OPTION—D

## ( GENERAL SOCIOLOGY—II )

**1.** Choose the correct answer : 1×7=7

শুদ্ধ উত্তৰটো বাছি উলিওৱা :

*(a)* Primary socialization takes place within

প্ৰাথমিক সামাজিকীকৰণ ____ত সংঘটিত হয়।

*(i)* family

পৰিয়াল

*(ii)* community

সম্প্ৰদায়

*(iii)* school

বিদ্যালয়

*(b)* Arnold Toynbee is associated with ____ theory of social change.

আৰ্নল্ড টয়েনবী সামাজিক পৰিৱৰ্তনৰ ____ তত্ত্বৰ সৈতে জড়িত।

*(i)* cyclical

চক্ৰীয়

*(ii)* evolutionary

ক্ৰমবিৱৰ্তনমূলক

*(iii)* conflict

সংঘাত





*(c)* The author of the book, *Human Society* is

*Human Society* গ্ৰন্থখনৰ ৰচয়িতা হ'ল

*(i)* C. H. Cooley

চি. এইচ. কুলে

*(ii)* Kingsley Davis

কিংছলে ডেভিচ

*(iii)* Richard LaPiere

ৰিছাৰ্ড লাপেয়াৰ

*(d)* The term 'social control' was used for the first time by

'সামাজিক নিয়ন্ত্ৰণ' প্ৰতিশব্দটো প্ৰথমবাৰৰ বাবে ____এ ব্যৱহাৰ কৰিছিল।

*(i)* L. F. Ward

এল. এফ. ৱাৰ্ড

*(ii)* E. A. Ross

ই. এ. ৰ'ছ

*(iii)* Small and Vincent

স্মল আৰু ভিনচেন্ট

*(e)* "Culture is that complex whole which includes knowledge, belief, art, morals, laws, customs and habits acquired by men as a member of the society." Who is associated with the statement?

"সমাজৰ এগৰাকী সদস্য হিচাপে মানুহে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, নৈতিকতা, আইন, ৰীতি-নীতি আৰু অভ্যাস আদিৰ সমষ্টিয়ে হ'ল সংস্কৃতি।" এই উক্তিটোৰ সৈতে কোন জড়িত?

*(i)* E. B. Tylor
ই. বি. টেইলৰ

*(ii)* A. P. Walter Paul
এ. পি. ৱাল্টাৰ পল

*(iii)* Edward T. Hall
এডৱাৰ্ড টি. হল

*(f)* Social changes are usually
সামাজিক পৰিৱৰ্তনসমূহ সাধাৰণতে

*(i)* insignificant
তাৎপৰ্যহীন

*(ii)* continuous
নিৰৱচ্ছিন্ন

*(iii)* very sudden
আকস্মিক





*(g)* Through the process of ____ the individual becomes a social person and attains personality.

____ প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তি এগৰাকী সামাজিক ব্যক্তিৰূপে পৰিণত হয় আৰু ব্যক্তিত্ব আহৰণ কৰে।

*(i)* culture
সংস্কৃতি

*(ii)* social control
সামাজিক নিয়ন্ত্ৰণ

*(iii)* socialization
সামাজিকীকৰণ

**2.** Answer briefly the following : 2×4=8
তলত দিয়াবোৰৰ চমু উত্তৰ লিখা :

*(a)* Mention two formal means of social control.
সামাজিক নিয়ন্ত্ৰণৰ দুটা আনুষ্ঠানিক মাধ্যম উল্লেখ কৰা।

*(b)* Name two elements of non-material culture.
মানসিক বা অবস্তুগত সংস্কৃতিৰ দুটা উপাদান লিখা।

*(c)* Identify two causes of social change.
সামাজিক পৰিৱৰ্তনৰ দুটা কাৰণ চিনাক্ত কৰা।

*(d)* Write two roles of socialization.
সামাজিকীকৰণৰ দুটা ভূমিকা লিখা।

**3.** Answer any *three* of the following : 5×3=15

তলত দিয়াবোৰৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখা :

(a) "Social change is a universal phenomena." Elaborate.

"সামাজিক পৰিৱৰ্তন এক সাৰ্বজনীন পৰিঘটনা।" বহলাই ব্যাখ্যা কৰা।

(b) Write the role of custom in controlling society.

সমাজ নিয়ন্ত্ৰণত প্ৰথাৰ ভূমিকাৰ বিষয়ে লিখা।

(c) Discuss briefly about the concept of socialization.

সামাজিকীকৰণ ধাৰণাটো চমুকৈ আলোচনা কৰা।

(d) Differentiate between material culture and non-material culture.

বস্তুগত সংস্কৃতি আৰু মানসিক বা অবস্তুগত সংস্কৃতিৰ মাজৰ পাৰ্থক্য বিচাৰ কৰা।

(e) Explain briefly about the linear theory of social change.

সামাজিক পৰিৱৰ্তনৰ ৰৈখিক তত্ত্ব সম্পৰ্কে চমুকৈ ব্যাখ্যা আগবঢ়োৱা।

**4.** Answer any *three* of the following : 10×3=30

তলত দিয়াবোৰৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখা :

(a) What is culture? Describe the factors of cultural variability.

সংস্কৃতি কি? সংস্কৃতিৰ বিভিন্নতাৰ কাৰকসমূহ বৰ্ণনা কৰা।





(b) Write a note on the development of the concept of social control. How far is social control necessary in a society? Discuss.

সামাজিক নিয়ন্ত্ৰণৰ ধাৰণাটোৰ বিকাশৰ ওপৰত এটা টোকা লিখা। সমাজত সামাজিক নিয়ন্ত্ৰণ কিমানদূৰ প্ৰয়োজন? আলোচনা কৰা।

(c) Elaborate on the different factors which facilitate the process of socialization in society.

সমাজত সামাজিকীকৰণ প্ৰক্ৰিয়াটো সহজসাধ্য কৰা বিভিন্ন কাৰকসমূহৰ বিষয়ে বহলাই আলোচনা কৰা।

(d) What is social change? Explain Marxian theory on social change.

সামাজিক পৰিৱৰ্তন কি? সামাজিক পৰিৱৰ্তনৰ মাৰ্ক্সীয় তত্ত্বটো ব্যাখ্যা কৰা।

(e) Elaborate the process of evolution of culture in society.

সমাজত সংস্কৃতিৰ ক্ৰমবিকাশ প্ৰক্ৰিয়াটোৰ বিষয়ে বহলাই আলোচনা কৰা।

(f) "Primary socialization is probably the most important aspect of the socialization process." Explain.

"প্ৰাথমিক সামাজিকীকৰণ বোধকৰো সামাজিকীকৰণ প্ৰক্ৰিয়াৰ সবাতোকৈ গুৰুত্বপূৰ্ণ দিশ।" ব্যাখ্যা কৰা।

★★★